"জীৱন আৰু জগতক সামগ্ৰিকভাৱে ব্যাখ্যা আৰু মূল্যায়ন কৰাৰ প্ৰচেষ্টাই দৰ্শন।"

## ১.৫ দৰ্শনৰ পৰিসৰ বা বিষয়বস্তু (Scope or Subject-matter of Philosophy)

জগত আৰু জীৱনৰ সামগ্ৰিক ব্যাখ্যা আৰু মূল্যাৱধাৰণেই দৰ্শন। জগত আৰু জীৱনৰ এনে কোনো দিশ নাই যি দৰ্শনত আলোচনা কৰা নহয়। গতিকে দৰ্শনৰ পৰিসৰ অতি ব্যাপক— কোনো সুনিৰ্দিষ্ট বিষয়বস্তুৰ আধাৰত দৰ্শনৰ আলোচ্য-বিষয়ক চিহ্নিত কৰিব নোৱাৰি। সেইকাৰণে দাৰ্শনিক কেয়াৰ্ডে (Caird) এইবুলি মন্তব্য কৰিছে যে, মানুহৰ অভিজ্ঞতাৰ এনে কোনো দিশ নাই যি দৰ্শনৰ পৰিসৰভূক্ত নহয়। (There is no province of human experience which lies beyond the domain of Philosophy)। জড়, প্ৰাণ, মন, দেশ-কাল, কাৰণতা, ঈশ্বৰ, আত্মা, মোক্ষ, ধৰ্ম, সমাজ, নীতি, ৰাষ্ট্ৰ, অৰ্থ ইত্যাদি মানৱ জীৱনৰ লগত জড়িত আৰু জগতত স্থিত সকলো বিষয়ৰে আলোচনা কৰা হয় দৰ্শনত। ইন্দ্ৰিয়গ্ৰাহ্য জগত আৰু অতীন্দ্ৰিয় জগত; ভূত, বৰ্তমান আৰু ভৱিষ্যত আদি সকলো স্থান আৰু কালতে স্থিত বিষয়ৰ আলোচনা কৰা হয় দৰ্শনত। গতিকে দৰ্শনৰ পৰিসৰ ইমানেই ব্যাপক আৰু বিস্তৃত যে, তাক কেইটামান শব্দ বা বাক্যৰে উল্লেখ কৰিব নোৱাৰি। তথাপি আলোচনাৰ সুবিধাৰ্থে দৰ্শনৰ প্ৰধান প্ৰধান আলোচ্য-বিষয়সমূহক তলত উল্লেখ কৰা হ'ল ঃ

(১) দৰ্শন জ্ঞানবিষয়ক সমস্যালৈ আলোচনা কৰে। জ্ঞানৰ স্বৰূপ, জ্ঞানৰ উৎস, জ্ঞানৰ সীমা, জ্ঞানৰ চৰ্ত, জ্ঞানৰ বৈধতা, নিশ্চয়তা আদি জ্ঞান সম্পৰ্কীয় সমস্ত বিষয়লৈ আলোচনা কৰা হয় দৰ্শনত। জ্ঞান সম্পৰ্কীয় সমস্যাবোৰলৈ দৰ্শনৰ যি বিভাগত আলোচনা কৰা হয় তাক কোৱা হয় জ্ঞানবিদ্যা (Epistemology)।

(২) পৰমসত্তা (Reality) বিষয়ক আলোচনা দৰ্শনৰ পৰিসৰভূক্ত। সত্তা কি, জড়, প্ৰাণ, মন, আত্মা, দেশ, কাল, ঈশ্বৰ, ইচ্ছাৰ স্বাধীনতা, কাৰ্যকাৰণ সম্পৰ্ক প্ৰভৃতি বিষয়সমূহৰ যথাৰ্থ স্বৰূপ সম্পৰ্কীয় সমস্যাবোৰ আলোচিত হয় দৰ্শনত। এই সমস্যাবোৰ লৈ দৰ্শনৰ যি বিভাগত আলোচনা কৰা হয় তাক কোৱা হয় পৰাবিদ্যা (Metaphysics)।

(৩) দৰ্শনে প্ৰমূল্যবিষয়ক (Value) সমস্যালৈও আলোচনা কৰে। প্ৰমূল্যবিদ্যা (Axiology) নামৰ দৰ্শনৰ আন এটা বিভাগ আছে য'ত সত্য (Truth), শিৱ বা কল্যাণ (Good) আৰু সুন্দৰ (Beauty) প্ৰভৃতি মূল্যবোৰৰ স্বৰূপ আৰু চৰ্তাৱলী লৈ আলোচনা কৰা হয়। তৰ্কবিদ্যাত (Logic) সত্যক আদৰ্শ হিচাপে লৈ যুক্তিৰ স্বৰূপ আৰু বৈধতা সম্পৰ্কে আলোচনা কৰা হয়; নীতিবিদ্যাত (Ethics) শিৱ বা কল্যাণক আদৰ্শ হিচাপে লৈ মানৱ আচৰণৰ আলোচনা কৰা হয়; আৰু সৌন্দৰ্যবিদ্যাত (Aesthetics) সুন্দৰক আদৰ্শ হিচাপে বিভিন্ন কলাচৰ্চা কৰা হয়।

(৪) দৰ্শনে প্ৰতিভাসিক জগত বা অৱভাসিক জগতলৈও (phenomenal world) আলোচনা কৰে। বস্তুৰ ইন্দ্ৰিয়গ্ৰাহ্য বা প্ৰতিভাসিক ৰূপৰ মাজেদি বাস্তৱত বস্তুৰ প্ৰকৃত ৰূপৰ জ্ঞান পোৱা যায়। সেইকাৰণে দৰ্শনত সত্তাৰ যথাৰ্থ ৰূপৰ সন্ধানত প্ৰতিভাসিক জগতলৈও আলোচনা কৰা হয়। অৱভাসৰ স্বৰূপ, অৱভাস আৰু পৰমসত্তাৰ সম্পৰ্ক আদি দৰ্শনৰ পৰিসৰভূক্ত।

(৫) দৰ্শনে বিজ্ঞানৰ কিছুমান মৌলিক ধাৰণা বা প্ৰত্যয়লৈও আলোচনা কৰে। বিজ্ঞানৰ মৌলিক ধাৰণাবোৰ লৈ যেতিয়া দৰ্শনে আলোচনা কৰে, তেতিয়া তাক কোৱা বিজ্ঞানৰ দৰ্শন (Philosophy of Science)। এইক্ষেত্ৰত দৰ্শনে প্ৰধানতঃ প্ৰকল্প, নিয়ম, বৈজ্ঞানিক পদ্ধতি, সম্ভাৱ্যতা প্ৰভৃতি প্ৰধান ধাৰণাবোৰৰ বিচাৰ-বিশ্লেষণ কৰে।

(৬) দৰ্শনৰ নিজস্ব কিছুমান সমস্যা আছে। এই সমস্যাবোৰো দৰ্শনৰ পৰিসৰভূক্ত। দৰ্শনৰ স্বৰূপ, দৰ্শনৰ সংজ্ঞা, দৰ্শনৰ সমস্যা, দৰ্শনৰ পদ্ধতি, দৰ্শনৰ উপযোগিতা আদি বিষয়সমূহ দৰ্শনৰ আলোচ্য-বিষয়ৰ ভিতৰত পৰে।

(৭) দৰ্শনত ধৰ্মৰ মূল ধাৰণাবোৰৰ বিচাৰ-বিশ্লেষণ কৰা হয়। ধৰ্মীয় অভিজ্ঞতা, বিভিন্ন ধৰ্মীয় ধাৰণা, যেনে— ঈশ্বৰ, মোক্ষ, ধৰ্মীয় চেতনা, ধৰ্মৰ উৎপত্তি, সমাজত ধৰ্মৰ ভূমিকা, বিভিন্ন ধৰ্মৰ মাজত থকা পাৰস্পৰিক মিল আৰু অমিল প্ৰভৃতি বিষয়সমূহৰ আলোচনা ধৰ্মদৰ্শন (Philosophy of Religion) নামে দৰ্শনৰ এক সুকীয়া শাখাত কৰা হয়।

(৮) সমাজ আৰু ৰাষ্ট্ৰনীতি বিষয়ক মূল ধাৰণাবোৰৰ আলোচনাও দৰ্শনৰ পৰিসৰভূক্ত। সমাজৰ স্বৰূপ, সমাজৰ উৎপত্তি, সামাজিক চেতনা, সামাজিক বিকাশ, সামাজিক গোষ্ঠী, সামাজিক পৰিৱৰ্তন আৰু অগ্ৰগতি প্ৰভৃতি ধাৰণাবোৰৰ বিচাৰ-বিশ্লেষণ

সমাজ দৰ্শনত (Social Philosophy) কৰা হয়। এইদৰে ৰাষ্ট্ৰীয় সমস্ত ক্ৰিয়া-কলাপৰ মূল্যায়ন কৰা হয় ৰাষ্ট্ৰদৰ্শন (Political Philosophy) নামৰ দৰ্শনৰ আন এক শাখাত।

গতিকে দেখা যায় যে, দৰ্শনৰ পৰিসৰ অতিশয় ব্যাপক। জগত, জীৱন আৰু অভিজ্ঞতাৰ এনে কোনো দিশ নাই যি দৰ্শনত আলোচিত নহয়।